


দশম শ্রেণীৰ বাবে

ভূগোল

পাঠ - ১

অর্থনৈতিক ভূগোলঃ বিষয়বস্তু আৰু সম্পদ

অংশ – ৫ (প্রশ্ন-উত্তৰ)

শ্রাৱণী দেৱী

১১। উদাহৰণসহ সম্পদৰ শ্ৰেণীবিভাজন সম্পৰ্কে লিখা।

সম্পদ = মানুহৰ ব্যৱহাৰৰ বাবে প্ৰস্তুত বস্তু সম্পদ বোলে।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ **(i) প্ৰাকৃতিক সম্পদ:** প্ৰকৃতিৰ পৰা আহৰণ কৰা সম্পদবোৰকে প্ৰাকৃতিক সম্পদ বোলে। যেনে :- পানী , বায়ু , সূৰ্যৰ ৰশ্মি , মাটি , খনিজ সম্পদ , গছ – গছনি , প্ৰাণী , নদী ইত্যাদি।

(ii) মানৱ সৃষ্ট সম্পদ: মানুহে বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰাকৃতিক সম্পদৰ পৰা উৎপাদন কৰা বিভিন্ন সম্পদক মানৱসৃষ্ট সম্পদ বোলে। যেনে :- বাঁহৰ পৰা তৈয়াৰ কৰা কাগজ , কপাহৰ পৰা তৈয়াৰী কাপোৰে , সাংশ্লেষিক বস্ত্ৰ , সাংশ্লেষিক ৰবৰ , ঔষধ , ৰাসায়নিক সাৰ ইত্যাদি।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(iii) মানৱ সম্পদ: উপযুক্ত কাৰিকৰী কৌশল থকা, সম্পদসমূহ উৎপাদনশীলভাৱে তথা দক্ষতাৰে ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা জনসমষ্টিকে মানৱ সম্পদ বুলি কোৱা হয়। দেশ এখনৰ আটাইতকৈ গুৰুত্বপূর্ণ সম্পদ হৈছে মানৱ সম্পদ।

(iv) জীৱীয় সম্পদ: জীৱ থকা সম্পদবোৰক জীৱীয় সম্পদ বোলে। যেনে: গছ – গছনি , প্রাণী , মাছ , শস্য ইত্যাদি।

(v) অজীৱীয় সম্পদ: জীৱ নথকা সম্পদবোৰক অজীৱীয় সম্পদ বোলে। যেনে: মাটি , শিল , পানী , বায়ু , খনিজ পদার্থ ইত্যাদি।

(vi) **নৱীকৰণযোগ্য সম্পদ:** যিবোৰ সম্পদ ব্যৱহাৰ কৰি থাকিলে একেবাৰে নিঃশেষ হৈ নাযায় আৰু এইবোৰ পুনঃপুৰ্ণীকৃত প্রক্রিয়াৰে ব্যৱহাৰ কৰিব পৰা যায় তেনে সম্পদক নৱীকৰণযোগ্য সম্পদ বোলে। যেনে: সূৰ্যৰ ৰশ্মি, পানী, মাটি ইত্যাদি।

(vii) **অনৱীকৰণযোগ্য সম্পদ:** যিবোৰ সম্পদ এবাৰ ব্যৱহাৰ কৰিলে নিঃশেষ হৈ যায় আৰু যাক নৱীকৰণ কৰিব নোৱাৰি তেনে সম্পদক অনৱীকৰণযোগ্য সম্পদ বোলে। যেনে: কয়লা, খনিজ তেল,প্রাকৃতিক গেছ ইত্যাদি।


সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ix) ব্যক্তিগত সম্পদ: যিবোৰ বস্তু এজন লোকৰ ব্যক্তিগত দখলত থাকে , তাকে ব্যক্তিগত সম্পদ বোলে। যেনেঃ মাটি , ঘৰুৱা সা – সম্পত্তি , ব্যক্তিগত গুণাৱলী যেনেঃ ভাল চৰিত্ৰ , শিক্ষা , বিভিন্ন দক্ষতা আদি।

(x) জাতীয় সম্পদ: যিবোৰ সম্পদ ৰাষ্ট্ৰৰ দায়িত্বত বা অধীনত থাকে তেনে সম্পদক ৰাষ্ট্ৰীয় সম্পদ বোলে। যেনে: পৰিবহণ ব্যৱস্থা , ভূমি , নদী , খনিজ সম্পদ , অৰণ্যৰ জীৱ – জন্তু , কৃষি – শস্য , বিভিন্ন উৎপাদিত সামগ্ৰী , জনসংখ্যা আদি।

(xi) আন্তর্জাতিক সম্পদ: বিভিন্ন দেশৰ জাতীয় সম্পদ আৰু সমগ্ৰ বিশ্বৰ অধীনত থকা সম্পদক আন্তর্জাতিক সম্পদ বোলে। যেনে: মহাসাগৰ , সাগৰ , বায়ুমণ্ডল , অৰণ্য অঞ্চল আদি।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১২। প্রাকৃতিক সম্পদ বুলিলে কি বুজায়? উদাহৰণসহ চমুকৈ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ প্ৰকৃতিৰ পৰা পোৱা যিবোৰ বস্তু মানুহৰ উপকাৰত আহে সেই সকলোবোৰকেই প্ৰাকৃতিক সম্পদ বুলি কোৱা হয়। ই গোটা , জুলীয়া বা গেছীয় আৰু ধাতৱীয় আৰু অধাতৱীয় অৱস্থাত থাকিব পাৰে।

প্ৰাকৃতিক সম্পদসমূহৰ বহুবোৰেই প্ৰকৃতিত উপলব্ধ হোৱাৰ দৰেই ব্যৱহাৰ কৰাৰ বিপৰীতে অন্য কিছুমানক বিভিন্ন উদ্যোগত কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে বাঁহৰ পৰা কাগজ, কাঠৰ পৰা প্লাইউড, কপাহৰ পৰা কাপোৰ, খনিজ তেলৰ পৰা মম, ৰং, ভেচলিন, প্লাষ্টিক ইত্যাদি।


বায়ু , পানী , সূর্যৰ ৰশ্মি , ভূমি , খনিজ পদার্থ , প্রাকৃতিক গেছ , উদ্ভিদ , জীৱ – জন্তু , নদ – নদী , সাগৰ মহাসাগৰ আদি হৈছে প্রাকৃতিক সম্পদৰ উদাহৰণ।



समग्रा शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। মানৱ-সৃষ্ট সম্পদ কি? উদাহৰণসহ ইয়াৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মানুহে বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি নিজ প্ৰচেষ্টাৰে প্ৰাকৃতিক সম্পদৰ পৰা উৎপাদন কৰা বিভিন্ন সম্পদবোৰেই হৈছে মানৱ সৃষ্ট সম্পদ। উদাহৰণস্বৰূপে:- বাঁহৰ পৰা তৈয়াৰ কৰা কাগজ , কপাহৰ পৰা তৈয়াৰ কৰা কাপোৰে , খাদ্য সামগ্ৰী , ঔষধ , কাঠৰ আচবাব , দুৱাৰ আদি হৈছে মানৱ সৃষ্ট সম্পদৰ উদাহৰণ।

১৪। নবীকৰণযোগ্যআৰু অনবীকৰণযোগ্য সম্পদৰ মাজৰ পার্থক্য কি কি? উদাহৰণসহ চমুকৈ আলোচনা কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদৰ মাজৰ পার্থক্য সমূহ তলত উল্লেখ কৰা হ'ল-

নৱীকৰণযোগ্য সম্পদ	অনৱীকৰণযোগ্য সম্পদ
এই সম্পদবোৰ ব্যৱহাৰৰ পিছত নিঃশেষ হৈ নাযায় বা পুনৰুৎপাদন কৰিব পাৰি।	এই সম্পদবোৰ ক্ৰমশঃ নিঃশেষ হৈ যায় আৰু পুনৰুৎপাদন কৰিব নোৱাৰি।
বায়ু, সূর্যৰ ৰশ্মি, পানী, শস্য ইত্যাদি।	কয়লা, তেল, প্ৰাকৃতিক গেছ, বিভিন্ন খনিজ সম্পদ ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৫। সম্পদ সংৰক্ষণ বুলিলে কি বুজায়? ইয়াৰ প্ৰয়োজনীয়তা কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ প্ৰাকৃতিক সম্পদসমূহৰ ভিতৰত কিছুমান অনবীকৰণযোগ্য, ক্ষয়শীল বা সীমিত। কিন্তু এইবোৰ মানুহৰ দৈনন্দিন জীৱনত অতিকৈ প্ৰয়োজনীয়। গতিকে সম্পদৰ অপচয় আৰু অপব্যৱহাৰ ৰোধ কৰি সাম্ভাব্য পূৰ্ণ ব্যৱহাৰ কৰা কাৰ্যকে সম্পদৰ সংৰক্ষণ বুলি জনা যায়।

সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ কাৰক কেইটা তলত উল্লেখ কৰা হ'ল:

(ক) সীমিত সম্পদ: প্ৰকৃতিয়ে যোগান ধৰা সম্পদৰ বিতৰণ অসমান আৰু ইয়াৰ যোগান সীমিত। পৃথিৱীৰ কোনো দেশতেই সকলো সম্পদ উপলব্ধ নহয়। সেয়ে দেশখনত উপলব্ধ সম্পদখিনিক সঠিক ব্যৱহাৰ আৰু সংৰক্ষণ কৰিব লাগে।


সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) বর্ধিত জনসংখ্যা: জনসংখ্যা বৃদ্ধিৰ লগে লগে বিভিন্ন সম্পদৰ প্ৰয়োজনীয়তাও বাঢ়িছে লগতে ইয়াৰ ব্যৱহাৰ বৃদ্ধি পাইছে। গতিকে সম্পদৰ বহুল ব্যৱহাৰে যিহেতু উন্নয়ন সূচায় সেইবাবে ভবিষ্যত প্ৰজন্মৰ উন্নয়নৰ বাবে সম্পদ সংৰক্ষণ প্ৰয়োজনীয়।

(গ) বিপন্ন প্ৰজাতিৰ সংৰক্ষণ: বিভিন্ন সম্পদৰ অনুপযুক্ত ব্যৱহাৰৰ বাবে আৰু পৰিৱেশ প্ৰদূষণৰ বাবে বহুতো উদ্ভিদ আৰু প্ৰাণীৰ প্ৰজাতি বিপন্ন আৰু বিলুপ্ত হৈ পৰিছে। জৈৱ-বৈচিত্ৰ্যৰ ভাৰসাম্য ৰাখিবলৈ সম্পদ সংৰক্ষণ প্ৰয়োজনীয়।

(ঘ) **প্ৰদূষণ নিয়ন্ত্ৰণ:** সম্পদৰ নিষ্কাশন আৰু সংসাধনৰ ফলত পৰিৱেশ যথেষ্ট পৰিমাণে প্ৰদূষিত হয়। কিছুক্ষেত্ৰত প্ৰদূষণ ৰোধ কৰাৰ উপায় হ'ব পাৰে সম্পদ সংৰক্ষণ।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৬। সম্পদ সংৰক্ষণ পদ্ধতি সম্পর্কে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সম্পদ সংৰক্ষণৰ বিভিন্ন পদ্ধতি তলত আলোচনা কৰা হ'লঃ

(ক) বিকল্প সম্পদৰ সন্ধান: সম্পদৰ বহুল ব্যৱহাৰ হ্ৰাস কৰাৰ এটা উপায় হ'ল উৎপাদন চলি থকা অৱস্থাতেই বিকল্প সম্পদৰ উদ্ঘাটন। বৰ্তমান বহুতো বাণিজ্যিক সামগ্ৰীৰ ভাল বিকল্প সামগ্ৰী আছে। যেনেঃ কয়লা , তেল , খনিজ সম্পদ আদিৰ অত্যধিক ব্যৱহাৰ কমাবৰ বাবে আমি সৌৰশক্তি , জলবিদ্যুত , জৈৱ গেছ আদি ব্যৱহাৰ কৰিব পাৰোঁ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) পুনৰাৱৰ্তন: পুনৰাৱৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে বৰ্জিত দ্ৰব্যক পুনৰ ব্যৱহাৰযোগ্য কৰি কেঁচা সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰিব পাৰি। উদাহৰণস্বৰূপে পুৰণি প্লাষ্টিক বটলৰ পৰা পুনৰ প্লাষ্টিক বটল তৈয়াৰ কৰা।

(গ) অভিযোজন: প্ৰয়োজনীয় অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে উপলব্ধ সম্পদবোৰৰ উন্নত আৰু সাৰ্থক ব্যৱহাৰৰ বাবে বহুতো অভিযোজন প্ৰক্ৰিয়া প্ৰয়োগ কৰিব পাৰি। ই কেঁচা সামগ্ৰীৰ অপব্যৱহাৰ হ্ৰাস কৰে আৰু সম্পদৰ উৎপাদন বঢ়ায়। উদাহৰণস্বৰূপে , ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱ সাৰ তৈয়াৰ কৰা।

समग्रा शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) বর্জিত দ্রব্যৰ পৰিমাণ নিয়ন্ত্রণ: বর্জিত দ্রব্যবোৰ সঠিকভাৱে সংগ্রহ কৰিলে আৰু বৈজ্ঞানিকভাৱে ব্যৱহাৰ কৰিলে ইয়াৰ পৰা বহুতো নতুন সামগ্রী পাব পাৰি। উদাহৰণস্বৰূপে: কাৰখানা আৰু নগৰৰ নলা – নৰ্দমাৰ বর্জিত পানীক নির্দিষ্ট বৈজ্ঞানিক পদ্ধতিৰে পুনৰ বিশুদ্ধ কৰিব পাৰি।

(ঙ) সংৰক্ষণ সম্পর্কীয় জ্ঞানৰ সম্প্রসাৰণ: জন জাগৰণ , কর্মশালা , সম্পদ সংৰক্ষণ ব্যৱস্থাপনা আদিৰ জৰিয়তে দেশ এখনৰ জনসাধাৰণক সম্পদৰ সংৰক্ষণৰ প্রয়োজনীয়তাৰ বিষয়ে সচেতন কৰিব লাগে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(চ) সংৰক্ষণ সম্পৰ্কীয় আইনৰ কার্যকৰীকৰণ: সম্পদৰ সঠিক সংৰক্ষণৰ বাবে, ইয়াৰ অপব্যৱহাৰ ৰোধ কৰা উচিত। চৰকাৰে এই আইনৰ সঠিক কার্যকৰীকৰণ হোৱাটো নিশ্চিত কৰিব লাগিব আৰু আইনৰ ব্যৱস্থা কটকটীয়া কৰিব লাগে।

(ছ) সম্পদৰ ভঁৰালৰ সঠিক মূল্যায়ন: যিকোনো দেশৰ উন্নয়নৰ বাবে সম্পদৰ সঠিক মূল্যায়ন প্ৰয়োজন। যেতিয়া সংশ্লিষ্ট কতৃপক্ষই উপলব্ধ সম্পদৰ পৰিমাণৰ বিষয়ে জ্ঞাত হ'ব, তেতিয়াহে তেনে সম্পদৰ সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত আঁচনি গ্ৰহণ কৰিব পাৰিব।

(জ) সম্পদসমূহৰ ভৱিষ্যত প্ৰয়োজন নিৰ্ধাৰণ: বৰ্তমানৰ জনসংখ্যাৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি যিকোনো সম্পদ ভবিষ্যতৰ প্ৰয়োজনীয়তা নিৰ্ণয় কৰাটো অতি জৰুৰী।

